অসম চৰকাৰ

উপায়ুক্তৰ কাৰ্য্যালয় ............................................................................................. বৰপেটা।

ঠিকনা — যোগাযোগ সবিশেষ

ৱাৰ্ড নং ৫, ডাক ঘৰ ও থানা-বৰপেটা — দূৰভাষ-০৩৬৬৫-২৫২১১৯

পিন-৭৮১৩১৪ — Email: dc-barpeta@nic.in

## বিজ্ঞাপন

অসম চৰকাৰৰ ৰাজহ আৰু দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ আৰ এল আৰ. ১৮৭/২০০৭/অংশ/২৪ দিনাংকঃ১৯.০৭.২০. আৰু নতুন আৰ এল আৰ ৭৩/২০১০/৩ তাৰিখ ২৬৮-২০২১ অধিসূচনা আৰু মহামান্য উচ্চ ন্যায়ালয়ৰ WP(C) No. 4943/2018 তাৰিখ 29/07/2024 ৰ হুকুম মতে, ইয়াৰ দ্বাৰা সংশ্লিষ্ট স্থানীয় ৰাইজক জনোৱা হ'ল যে, বৰপেটা জিলাৰ অন্তৰ্গত বাঘবৰ ৰাজহ চক্ৰৰ এলেকাভুক্ত বাঘবৰ মৌজাৰ ৩০ নং চাৰ্জৰ খালি হোৱা গাঁওপ্ৰধান পদত নিযুক্তি দিয়াৰ বাবে স্থানীয় ইচ্ছুক প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচৰা হৈছে। অহা ০৮/১১/২০২৪ ইং তাৰিখ বা তাৰ আগতে নিম্নলিখিত আবেদন পত্ৰৰ চানেকীৰে ধাৰ্য্য দিনৰ ভিতৰত আয়ুক্তৰ কাৰ্য্যালয়ত আবেদন কৰিব লাগিব। ধাৰ্য্য দিনৰ পিছত কোনো আবেদন গ্ৰহণ কৰা নহ'ব।

<u>নিম্নতম অৰ্হতাঃ</u>

১.আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁওপ্ৰধান লাটৰ গাঁও সমূহৰ ভিতৰৰ এখনৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

২.আবেদনকাৰীৰ বয়স ........./ ২০২৪ ইং তাৰিখে নূন্যতম ৩০ বছৰ আৰু উৰ্দ্ধতম ৬৫ বছৰ হ'ব লাগিব আৰু উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষা বা অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত বৰ্ড/ প্ৰতিষ্ঠানৰ পৰা সমপৰ্য্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হ'ব লাগিব।

৩.আবেদনকাৰী শাৰীৰিক ভাবে সক্ষম আৰু সুস্থ মস্তিস্কৰ অধিকাৰী হ'ব লাগিব।

৪.আবেদনকাৰী আৰ্থিকভাবে দেউলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নোৱাৰিব।

৫.গাঁওপ্ৰধান পৰিয়ালৰ ব্যক্তিক যথাসম্ভৱ অগ্ৰাধিকাৰ দিয়া হ'ব।

৬.আবেদনকাৰী চৰকাৰী চাকৰিয়াল বা কোনো ৰাজনৈতিক দলৰ সদস্য/সদস্যা হ'ব নোৱাৰিব।

৭.আবেদনকাৰী গাঁওপ্ৰধান হিচাপে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰী নিজ নামত ভূমি স্থাৱৰ সম্পত্তি থাকিব লাগিব।

৮.আবেদনকাৰী উচ্চ মৰ্য্যদা সম্পন্ন তথা সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হ'ব লাগিব।

৯.আবেদনকাৰী চৰকাৰী নিতি আৰু কাৰ্য্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সহযোগিতা আগবঢ়োৱা হব লাগিব।

১০.আবেদনকাৰীয়ে আবেদন দাখিল কৰাৰ সময়ত সত্যপাঠ (Affidavit )যোগে জনাব লাগিব যে আবেদনকাৰীৰ এক বা একাধিক সংগীৰ লগত দুটাতকৈ অধিক সন্তান নাই। কিন্তু অসম চৰকাৰৰ অধিসূচনা নং আৰ.এল. আৰ- ১৮৭/২০০৭/অংশ/২৮ তাং ১৯/০৭/২০১৯ ত জাৰি হোৱাৰ পূৰ্বে যি সকল ব্যক্তিৰ দুটাতকৈ অধিক সন্তানৰ গৰাকী হয় তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহয়।

<u>আবেদন পত্ৰৰ লগত দাখিল কৰিবলগীয়া প্ৰয়োজনীয় প্ৰমান পত্ৰ সমূহ.</u>

১. আবেদনকাৰী নাম আৰু বয়সৰ প্ৰমান পত্ৰ(HSLC Admit) গাঁঠি দিব লাগিব।

Scanned by CamScanner

২। আবেদনকৰা চাৰ্জৰ নং /মৌজাৰ নাম।
৩। আবেদনকাৰীৰ পিতাকৰ নাম।
৪। আবেদনকাৰীৰ স্থায়ী ঠিকনা।
৫। আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা। উত্তীৰ্ণ প্ৰমাণ পত্ৰ, মাৰ্কশ্বিট গাঁঠি দিব লাগিব।।
৬। আবেদনকাৰীৰ ভুতপূৰ্ব গাওঁপ্ৰধানৰ লগত সম্পৰ্ক (যদিহে প্ৰযোজ্য)। প্ৰমাণ পত্ৰ সংলগ্ন কৰি দিব।।
৭। আবেদনকাৰীৰ ভাৰতীয় নাগৰিক হয় নে নহয়, যদি হয় কি সূত্ৰে।
৮। আবেদনকাৰী উক্ত চাৰ্জৰ স্থায়ী বাসিন্দাৰ প্ৰমান পত্ৰ দিব লাগিব।
৯। আবেদনকাৰী বাকীজাই দেনামুক্ত প্ৰমান পত্ৰ দিব লাগিব।
১০। আবেদনকাৰীয়ে আবেদন কৰা উক্ত চাৰ্জত নিজৰ নামত থকা ভূমিৰ নথি গাঁঠি দিব লাগিব।
১১। আবেদনকাৰীৰ ভোটাৰ পৰিচয় পত্ৰ/পেন কাৰ্ডৰ কপি গাঁঠি দিব লাগিব।
১২. আবেদন পত্ৰৰ লগত পাচপোৰ্ট ফটো আৰু যোগাযোগ নম্বৰ দিব লাগিব।
১৩। আবেদনকাৰীৰ দুটাতকৈ অধিক সন্তানৰ পিতৃ নোহোৱাৰ শপত নামা দাখিল কৰিব লাগিব।
১৪। আবেদনকাৰী সকলে যদি চৰকাৰী নীতি আৰু কাৰ্য্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দূৰ্যোগৰ সময়ত চৰকাৰক সহায়-সহযোগিতা কৰিছে তাৰ প্ৰমান পত্ৰ সংশ্লিষ্ট চক্ৰ বিষয়া স্বাক্ষৰ সহ দাখিল কৰিব লাগিব।
১৫।আবেদনকাৰীয়ে নথি পত্ৰ সমূহৰ দুটাকৈ কপি জমা দিব লাগিব।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমান পত্ৰ সমূহ যদি ভূৱা বুলি প্ৰমানিত হয় তেন্তে তেখেতৰ প্ৰাৰ্থীত্ব তাতক্ষণিক ভাবে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহন কৰা হ'ব। যোগ্য বিবেচিত প্ৰাৰ্থী সকল মৌখিক সাক্ষাতকাৰত অৱতীৰ্ণ হব লাগিব। সাক্ষাতকাৰৰ নিৰ্দিষ্ট স্থান আৰু সময় পৰৱৰ্তী পৰ্য্যায়ত অৱগত কৰা হ'ব। ইয়াৰ বাবে কোনো পাৰিতোষিক দিয়া নহ'ব।

Signed by
Rohan Kumar Jha
Date: 07-10-2024 18:17:53
জিলা আয়ুক্ত, বৰপেটা।

স্মাৰক নং-E-127013/Rev/262/2024/311721 তাং ৭/10/2024

ইয়াৰ প্ৰতিলিপিঃ-

১। চক্ৰ বিষয়া বাঘবৰ ৰাজহ চক্ৰ, আপোনাক এই বিজ্ঞাপন চাৰ্জৰ এলেকাত বহুলভাবে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল।
২। জিলা তথ্য আৰু জনসংযোগ বিষয়া, বৰপেটা, আপোনাক এই বিজ্ঞাপন দৈনিক বাতৰি কাকত যোগে প্ৰচাৰ কৰিবলৈ জনোৱা হল। আৰু এই বিজ্ঞাপনটো জিলা ৱেবছাইটত সন্নিবিষ্ট কৰিবলৈ জনোৱা হল।
৩। উপ সঞ্চালক জিলা নিয়োগ বিনিময় কেন্দ্ৰ, বৰপেটা।
৪। ভাৰপ্ৰাপ্ত বাঘবৰ আৰক্ষী থানালৈ এই বিজ্ঞাপন চাৰ্জৰ এলেকাত বহুলভাবে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল।
৫। মৌজাদাৰ, বাঘবৰ মৌজালৈ এই বিজ্ঞাপন চাৰ্জৰ এলেকাত বহুলভাবে প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰিবলৈ জনোৱা হ'ল।
৬। উপায়ুক্তৰ কাৰ্য্যালয়ৰ জাননী ফলকলৈ আঁৰি দিয়াৰ বাবে।

জিলা আয়ুক্ত,
বৰপেটা।

Scanned by CamScanner